# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - - -

১। বান ক্ষতিগ্ৰস্ত অসমত সাহায্য আৰু পুনৰ সংস্থাপনত সহায় হোৱাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শীঘ্ৰেই বিশেষ পেকেজ ঘোষণা কৰিব বুলি কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালৰ গুৱাহাটীত প্ৰকাশ।

২। গুৱাহাটীত কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালৰ উত্তৰ-পূবৰ শক্তি বিতৰণ সন্দৰ্ভত পৰ্যালোচনা বৈঠক। উত্তৰ-পূবত শক্তি আৰু আৰু পৰ্যটনৰ বহু সম্ভাৱনা আছে বুলি মন্ত্ৰীগৰাকীৰ মন্তব্য।

৩। ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত ৩৫ হাজাৰ পদত নিযুক্তিৰ বাবে শীঘ্ৰেই অভিযান আৰম্ভ কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আজি ঘোষণা কৰা নতুন সময় সূচী অনুসৰি অহা ২৫ জুলাইৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ৰাজ্যিক মুক্ত বিদ্যালয়ৰ পৰীক্ষা।

**আৰু**

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা দলৰ মাজত অনুষ্ঠিত ক্ৰিকেট শৃংখলাৰ আজি চেন্নাইত তৃতীয় তথা অন্তিমখন টি-টুৱেণ্টি খেল।

ooooo

বান ক্ষতিগ্ৰস্ত অসমত সাহায্য আৰু পুনৰসংস্থাপনত সহায় হোৱাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শীঘ্ৰেই বিশেষ পেকেজ ঘোষণা কৰিব বুলি কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে আজি গুৱাহাটীত প্ৰকাশ কৰিছে। উত্তৰ-পূবৰ শক্তি আৰু নগৰ উন্নয়ন মন্ত্ৰীসকলৰ সৈতে গুৱাহাটীত আয়োজিত বৈঠকত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অসমৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে কয় যে ৰাজ্যখনত বানত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন অব্যাহত আছে আৰু প্ৰধানমন্ত্ৰীয়ে এই মূল্যায়ন সম্পন্ন হোৱাৰ পাছতেই পেকেজ ঘোষণা কৰিব।

ইফালে, ৰাজ্যত বানৰ প্ৰকোপ সামান্য হ্ৰাস পাইছে যদিও এতিয়াও ২৭খন জিলাৰ ৯১টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ১০০ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ১৮ লাখ ৮০ হাজাৰতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ দুজন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বান ত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৪লৈ বৃদ্ধি হৈছে। যোৱা দুদিন ধৰি বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত কোনো কোনো

অঞ্চলত পানী কিছু হ্ৰাস পাইছিল যদিও আজি দিনৰ ভাগত গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত ধাৰাসাৰ বৰষুণৰ ফলত পুনৰ বান পৰিস্থিতিৰ সৃষ্টি হয়। ৰাজ্যখনৰ বিভিন্ন জিলা প্ৰশাসনে স্থাপন কৰা ২৪৫টা আশ্ৰয় শিবিৰত ৪৮ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

বিশেষকৈ শিৱসাগৰ, কামৰূপ, নগাঁও, ডিব্ৰুগড়, নলবাৰী আৰু গোৱালপাৰা জিলাত এতিয়াও বান পৰিস্থিতি জটিল হৈ আছে। আনহাতে ৪৯ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি পানীয়ে বুৰাই পেলাইছে। বান বিধবস্ত অঞ্চলত এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে সাহায্য আৰু উদ্ধাৰ অভিযান চলাই আছে। এন ডি আৰ এফৰ দলে কাচাৰ, বৰপেটা, বঙাইগাঁও, ডিব্ৰুগড় আৰু যোৰহাট জিলাত অভিযান অব্যাহত ৰখাৰ লগতে এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ  স্বেচ্ছাসেৱকসকলে অন্যান্য অঞ্চলসমূহত সহায় আগবঢ়াইছে।

কেন্দ্ৰীয় জল আয়োগৰ তথ্য অনুসৰি যোৰহাটৰ নিমাতীঘাট, তেজপুৰ, গুৱাহাটী আৰু ধুবুৰীত এতিয়াও ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। একেদৰে বুঢ়ীদিহিং, দিখৌ, দিচাং, কপিলী আৰু কুছিয়াৰা নৈৰ পানীও বিপদসীমাৰ ওপৰত আছে।

চৰকাৰে বান ক্ষতিগ্ৰস্ত জনতাক সহায়ৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে স্বাস্থ্য শিবিৰ মুকলি কৰিছে।

নগাঁও জিলাৰ কলিয়াবৰত হাতীমূৰা মথাউৰি বানে চিঙি নিয়াৰ পাছত বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈ আছে। আজি মন্ত্ৰী কেশৱ মহন্তই কালি বানত মৃত্যু হোৱা ৰজনী বৈষ্ণৱৰ পৰিয়ালক সাক্ষাৎ কৰাৰ লগতে মৃত ব্যক্তিগৰাকীৰ নিকটাত্মীয়ক ৪ লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰে। নগাঁও জিলাৰ বান পৰিস্থিতি সন্দৰ্ভত আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয়-

**ভইচ কাষ্ট**

নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে মথাউৰিটো পৰিদৰ্শন কৰাৰ পাছত আজি ইয়াৰ কাৰিকৰী তদন্তৰ দাবী উত্থাপন কৰে। তেওঁ লগতে অসমৰ বান আৰু খহনীয়াক ৰাজ্যিক তালিকাৰ পৰা ৰাষ্ট্ৰীয় সমৱৰ্তী তালিকালৈ লৈ যোৱা, ব্ৰহ্মপুত্ৰ উপত্যকা প্ৰাধিকৰণ গঠন কৰা আদি দাবী উত্থাপন কৰে।

যোৰহাট জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজি বান ক্ষতিগ্ৰস্ত ৰাইজৰ বাবে চিকিৎসা শিবিৰ মুকলি কৰা হয়। নিমাতী অঞ্চলৰ ৰাইজৰ সহায় হোৱাকৈ বৰআলি ৰংগমঞ্চত আয়োজিত এই শিবিৰত চিকিৎসা সেৱা আগবঢ়োৱাৰ উপৰি ঔষধ বিতৰণ কৰা লহয়। শোণিতপুৰ জিলাৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও বিভিন্ন অঞ্চলৰ চৰণীয়া পথাৰসমূহ বানত বুৰ গৈ থকাত পশু খাদ্যৰ নাটনি হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ পশু চিকিৎসা বিভাগে আজি চতিয়াত পশু খাদ্য বিতৰণ কৰে। কৰিমগঞ্জ জিলাৰ কেইবাটাও অঞ্চল বানত বুৰ গৈ আছে। জিলাখনৰ ৬০টা অঞ্চল বানত ক্ষতিগ্ৰস্ত হৈছে। ৪৩টা আশ্ৰয় শিবিৰত ৩ হাজাৰ ৫০০ৰো অধিক লোকে আশ্ৰয় লৈ আছে।

ইফালে, গোৱালপাৰা জিলাৰ বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও জিলাখনলৈ এতিয়াও স্বাভাৱিক অৱস্থা ঘূৰি অহা নাই। জিলাখনৰ ২৭৪খন গাঁও বানৰ কবলত থকাৰ লগতে ৮০ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে ১২টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ থকা ৩ হাজাৰ ৪০০ৰো অধিক লোকক বান সাহায্য আৰু বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ লগতে স্বাস্থ্য শিবিৰ মুকলি কৰিছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। জিলাখনত ব্ৰহ্মপুত্ৰৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে সম্প্ৰতি ৬৫খন গাঁৱৰ ১ লাখৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈ আছে।

ooooo

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ বিভাগৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি কৰিমগঞ্জৰ বান পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই কৰিমগঞ্জৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসন আৰু বিভাগীয় মুৰব্বীসকলৰ সৈতে বান পৰিস্থিতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত তেওঁ কয় যে, বান সাহায্য বিতৰণৰ লগতে বান পৰিস্থিতি স্বাভাৱিক হোৱাৰ পৰৱৰ্তী সময়ৰ পৰিকল্পনা ৰাজ্য চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰিছে। জিলাখনৰ বান পৰিস্থিতিৰ সময়ত জিলা প্ৰশাসন, বিজেপিৰ দলীয় কাৰ্যকৰ্তা আৰু বিভিন্ন বেচৰকাৰী সংগঠন আগবাঢ়ি অহাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে।

oooooooo

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি জাগীৰোডত বান পৰিস্থিতি পৰিদৰ্শন কৰাৰ লগতে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত বান ব্যৱস্থাপনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। মন্ত্ৰী শ্ৰীহাজৰিকাই কয় যে, ৰাজ্যত বান নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫ হাজাৰ কোটি টকা সাহায্য প্ৰদান কৰিছে। পাঁচ বছৰৰ বাবে বহুপাক্ষিক প্ৰতিষ্ঠানৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা ৫ হাজাৰ কোটি টকাৰ ঋণৰ ১০ শতাংশহে ৰাজ্য চৰকাৰে দিব লাগিব বুলি তেওঁ লগতে প্ৰকাশ কৰে। বান প্ৰতিৰোধী বিভিন্ন কামৰ বাবে ৰাজ্য চৰকাৰে বছৰি এহেজাৰ কোটি টকা ব্যয় কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, পৰ্যায়ক্ৰমে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ হৈছে। আনহাতে ৰাজ্যৰ বান পৰিস্থিতিৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যৰ বিজেপি চৰকাৰ দায়ী বুলি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, কংগ্ৰেছৰ শাসনকালত বান আৰু খহনীয়া ৰোধৰ বাবে বছৰি মাত্ৰ আঠৈশ কোটি টকাহে খৰচ কৰিছিল।

ooooo

কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লাল খট্টৰৰ অধ্যক্ষতাত আজি গুৱাহাটীত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয়, ত্ৰিপুৰা আৰু ছিকিমৰ লগতে অসমৰ শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থকা এই পৰ্যালোচনা বৈঠকত শক্তিৰ বিতৰণ সন্দৰ্ভত আলোচনা কৰা হয়। পৰ্যালোচনা বৈঠকত অন্তত কেন্দ্ৰীয় শক্তি মন্ত্ৰী শ্ৰীখট্টৰে সংবাদমাধ্যমক কয় যে, উত্তৰ-পূবত শক্তি আৰু পৰ্যটনৰ বহু সম্ভাৱনা আছে। বৈঠকত গুৱাহাটী স্মাৰ্ট চিটী প্ৰকল্প সন্দৰ্ভত আলোচনা হোৱা বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে, নিৰ্বাচিত স্মাৰ্ট চিটীৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক পুঁজি প্ৰদান কৰিব। স্মাৰ্ট চিটীৰ অৱশিষ্ট কাম কৰিবৰ বাবে সময়সীমা এবছৰলৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। অহা বছৰৰ মাৰ্চত ভিতৰত এই প্ৰকল্প সম্পূৰ্ণ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় শক্তি দপ্তৰৰ দায়িত্ব গ্ৰহণৰ পাছত প্ৰথমবাৰলৈ অসম ভ্ৰমণলৈ অহা মনোহৰ লালৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। আলোচনাকালত মুখ্যমন্ত্ৰীগৰাকীয়ে

কেন্দ্ৰীয় শক্তি মন্ত্ৰী শ্ৰীখট্টৰক প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ বৰ্ধিত ঘৰৰ চাহিদাৰ বিষয়ে অৱগত কৰে। নগৰীয়া খোৱাপানী যোগানত স্বচ্ছতা অৰ্জন, গুৱাহাটীত নদীমুখ নিৰ্মাণ আৰু গুৱাহাটীৰ সমীপত জি-২০ নীতি আধাৰিত এটা নতুন ছেটেলাইট টাউনশ্বিপ বিকশিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক তেওঁ অৱগত কৰে। আলোচনাৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় শক্তি মন্ত্ৰীগৰাকীক আদৰণি জনায়।

০০০০০

অসম চৰকাৰে ৰাজ্যখনৰ বিভিন্ন বিভাগত ৩৫ হাজাৰ পদত নিযুক্তিৰ বাবে শীঘ্ৰেই অভিযান আৰম্ভ কৰিব। অহা বছৰৰ এপ্ৰিল মাহৰ ভিতৰত এই নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে ১ লাখ নিযুক্তিৰ পাছত এয়া চৰকাৰৰ অন্যতম বৃহৎ পদক্ষেপ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলক সকাহ দিয়াৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। এই অনুসৰি অসম আৰক্ষীৰ ৬ হাজাৰ ৪০০ৰো অধিক পদত, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষকৰ ১৩ হাজাৰৰো অধিক পদৰ বাবে নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব। শিক্ষক পদসমূহৰ বাবে শীঘ্ৰেই বিজ্ঞাপন প্ৰকাশ কৰা হ'ব। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ দ্বাৰা তৃতীয় বৰ্গৰ ৭ হাজাৰ ৫০০ৰো অধিক আৰু চতুৰ্থ বৰ্গৰ ৪ হাজাৰ ৫০০ৰো অধিক পদৰ বাবে নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব। এই সমূহ পৰীক্ষা অহা বছৰৰ এপ্ৰিলৰ ভিতৰত সমাপ্ত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে।

০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আজি পৰীক্ষাৰ নতুন সময় সূচী ঘোষণা কৰিছে। এই অনুসৰি অহা ২৫ জুলাইত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ৰাজ্যিক মুক্ত বিদ্যালয়ৰ পৰীক্ষা অনুষ্ঠিত হ'ব। অহা ৭ আগষ্টত এই পৰীক্ষাৰ অন্ত পৰিব। একেদৰে ৯ আগষ্টৰ পৰা ব্যৱহাৰিক পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। শিক্ষা সংসদে পূৰ্বে ৩ জুলাইৰ পৰা পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু ৰাজ্যত সৃষ্টি হোৱা বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শিক্ষা সংসদে ৰাজ্যিক মুক্ত বিদ্যালয়ৰ পৰীক্ষা স্থগিত ৰাখে। অৱশ্যে বান পৰিস্থিতি স্বাভাৱিক হোৱাত আজি পৰীক্ষা নতুন সময় সূচী ঘোষণা কৰে।

০০০০০

ৰাজ্য চৰকাৰে যোৱা বছৰৰ ১ ডিচেম্বৰৰ পৰা বৰ্তমানলৈ ৰাজ্যৰ কৃষকসকলৰ পৰা ন্যূনতম সমৰ্থন মূল্যত ৩ লাখ ১৪ হাজাৰ ৯৩৭ মেট্ৰিক টনৰো অধিক ধান ক্ৰয় কৰিবলৈ সমৰ্থ হৈছে। চৰকাৰী তথ্য অনুসৰি ধান ক্ৰয় প্ৰক্ৰিয়াৰে জড়িত ৪টাকৈ চৰকাৰী প্ৰতিষ্ঠান ক্ৰমে- অসম খাদ্য অসামৰিক যোগান নিগম লিমিটেডে ২ লাখ ৭১ হাজাৰৰো অধিক মেট্ৰিক টন ধান ক্ৰয় কৰাৰ লগতে অসম ৰাজ্যিক কৃষি বিপণন পৰিষদে ৩ হাজাৰ ৫০০, ভাৰতীয় খাদ্য নিগমে ১২ হাজাৰ ১০০ আৰু নাফেড নামৰ প্ৰতিষ্ঠানটোৱে ২৮ হাজাৰ ২৭২ৰো অধিক মেট্ৰিক টন ধান কৃষকৰ পৰা ক্ৰয় কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে প্ৰতি কুইণ্টল ধান ২ হাজাৰ ১৮৩ টকাৰ ন্যূনতম সমৰ্থন মূল্যত কৃষকৰ পৰা ক্ৰয় কৰিছে। ইয়াৰ বাবে ৰাজ্যত ১৭০টা ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ

অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি মৰিগাঁও জিলাৰ জাগীৰোডৰ পশ্চিম নগাঁৱত গোভা দেওৰজা তোৰণ উদ্বোধন কৰে। তিৱা স্বায়ত্বশাসিত পৰিষদে আৱণ্টন দিয়া ১০ লাখ টকাৰ পুঁজিৰে নিৰ্মাণ কৰা তোৰণখনৰ উদ্বোধনী অনুষ্ঠানত পশ্চিম নগাঁৱৰ ৰজা ভদ্ৰসিং দেওৰজা উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে গাঁওখনৰ খেলপথাৰ, ৰংগমঞ্চ উন্নত কৰি দিয়াৰ লগতে শ্মশানত বিদ্যুৎ আৰু পানীৰ সুব্যৱস্থা কৰা হ'ব বুলি আশ্বাস দিয়ে। আজিৰ এই কাৰ্যসূচীত তিৱা স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, মনোনীত সদস্য খগেন দাসৰ লগতে বিজেপিৰ দলীয় কাৰ্যকৰ্তা উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ বিনামূলীয়া নামভৰ্তিৰ ধন বিতৰণৰ প্ৰথম পৰ্যায়ৰ অনুষ্ঠান কাইলৈ অনুষ্ঠিত হ'ব। এই উপলক্ষে দিছপুৰৰ লোকসেৱা ভৱনত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়েও অংশগ্ৰহণ কৰিব। প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মুঠ ৩৪৯খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ক ৬৮ কোটি ৪৪ লাখ টকা আদায় দিয়া হ'ব। এই আঁচনিৰ অধীনত ৯৪ হাজাৰ ৮৩৮ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ ধন ছেপ্তেম্বৰত আদায় দিয়া হ'ব।

০০০০০

দবা খেলুৱৈ অভিভাৱক ফ'ৰামৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীৰ পানীখাইটিত ষষ্ঠ বাৰ্ষিক আয়োধানা আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনত অসমৰ লগতে দিল্লী, হাৰিয়ানা, তামিলনাডু, কেৰালা, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ আদিৰ ৰাজ্যৰ ২৮৪ গৰাকী খেলুৱৈৰে অংশগ্ৰহণ কৰিছে। জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক সুবোধ মল্লবৰুৱাই প্ৰতিযোগিতাখন উদ্বোধন কৰে।

০০০০০

গোৱালপাৰা জিলাৰ মাটিয়া বজাৰত আজিৰে পৰা তিনি দিনীয়াকৈ জিলা টাইকোৱানডো প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। কাৰ্যসূচী অনুসৰি আজি দুপৰীয়া খেলুৱৈসকলৰ পঞ্জীয়ন কৰা হয়। প্ৰতিযোগিতাৰ খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা দলৰ মাজত অনুষ্ঠিত ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন টি-২০ খেল আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব। একেখন ষ্টেডিয়ামতে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোৱে ভাৰতক ১২ ৰানত পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয় খেলখন বৰষুণৰ বাবে পৰিত্যক্ত হৈছে।

ooooo

সমাপ্ত